জাতিৰ সেৱাত উৎসৰ্গিত ৫৯ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

। ৫৯ বছৰ । ২৩৭ সংখ্যা, ২১ চ'ত, বৃহস্পতিবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 237 । DIBRUGARH, THURSDAY, APRIL 4, 2024 । পৃষ্ঠা ১৪ (Pages 14) । ৭.০০ টকা

কোটিটকীয়



-কথা

মসকলৰ
ন আৰু
প্ৰসংগত

কুমাৰ শৰ্মা

যোৱা ২৫ মাৰ্চত
কেইবাখনো ৰাষ্ট্ৰীয়
কাকতত আহোমসকলৰ
প্ৰব্ৰজন আৰু সংমিশ্ৰণ
প্ৰক্ৰিয়াটোৰ সম্পৰ্কে

## ডিব্ৰুগড় লিটল ষ্টেপ বিদ্যালয়ত বিদ্যাৰম্ভ অনুষ্ঠান

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ পৃথিৱীত জ্ঞান অৰ্জনত বিনিয়োগ কৰা মানুহৰ সংখ্যা তেনেই কম। সকলোৱে নাজানে যে জ্ঞান আৰু শিক্ষা পৃথিৱীৰ আটাইতকৈ শক্তিশালী বিনিয়োগ, যাৰ মুনাফা গোটেই জীৱন লাভ কৰিব পাৰে। ডিব্ৰুগড়ৰ অন্যতম শিক্ষানুষ্ঠান ডিব্ৰুগড় লিটল ষ্টেপ বিদ্যালয়ত অনুষ্ঠিত বিদ্যাৰম্ভ অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এইদৰে কয়। পহিলা এপ্ৰিলত অনুষ্ঠিত হোৱা অনুষ্ঠানত তেওঁ কয় মানুহৰ ধন-সম্পদ থাকিব পাৰে, পাৰ্থিৱ সম্পদ থাকিব পাৰে, কিন্তু সেই সম্পদক জ্ঞানলৈ পৰিৱৰ্তন কৰিব নোৱাৰিলে জীৱনে কেতিয়াও পূৰ্ণতা নাপায়। পাৰ্থিৱ ধন-সম্পদ, ক্ষমতা, দেশ, ৰাজ্যৰ ৰজা, সম্ৰাট এই সকলোবোৰেই অস্থায়ী। জীৱনত কেৱল স্থায়ী হিচাপে থাকি যায় জ্ঞান আৰু শিক্ষাৰে সমৃদ্ধ শক্তিশালীজন।

ডঃ শইকীয়াই প্ৰাচীন ভাৰতবৰ্ষৰ জ্ঞান, পৰম্পৰা সম্পৰ্কত উল্লেখ কৰি বিদ্যুৎ উৎপাদনৰ সূত্ৰ আৱিষ্কাৰক অগস্তমুনি, ২৫ প্ৰকাৰৰ বিমান নিৰ্মাণৰ সূত্ৰ স্ৰষ্টা মহৰ্ষি ভৰদ্বাজ, শূন্যৰ আৱিষ্কাৰক আৰ্যভট্ট, অংক শাস্ত্ৰৰ পণ্ডিত লীলাৱতী, জীৱ বিজ্ঞানৰ পাৰ্গত চড়ক, শৈল্য চিকিৎসক সুশ্ৰুত, ৰসায়নবিদ নাগাৰ্জুন, অণু-পৰমাণু আৱিষ্কাৰক কৰ্ণাড মুনিৰ জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰ কথা সমগ্ৰ বিশ্বই আজিও সোঁৱৰে বুলি উল্লেখ কৰি প্ৰসংগক্ৰমে



আইনষ্টাইন, শেইক্সপীয়েৰ, শংকৰদেৱ, মাধৱদেৱৰ সমাজলৈ আগবঢ়োৱা বৰঙণি সমগ্ৰ বিশ্বই পাহৰিব পৰা নাই বুলি কয়। ডঃ শইকীয়াই কয়, শিক্ষা হ'ল আটাইতকৈ শক্তিশালী অস্ত্ৰ, যিয়ে পৃথিৱী সলনি কৰি দিব পাৰে। তেওঁ ভাষণ প্ৰসংগত নিজৰ সন্তানৰ প্ৰতি অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্যও উল্লেখ কৰি বিদ্যালয়খনৰ উত্তৰণৰ জয়যাত্ৰাক শ্ৰদ্ধাৰে সোঁৱৰে। উল্লেখ্য যে মুখ্য অতিথি ৰূপে উপস্থিত থাকি অধ্যক্ষ ডঃ শইকীয়াই শিক্ষা, জ্ঞান আৰু প্ৰজ্ঞাৰ বিস্তৃত ব্যাখ্যা আগবঢ়াই ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে উল্লেখ কৰে। এনে বিদ্যাৰম্ভ অনুষ্ঠানৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য সম্পৰ্কেও তেওঁ বিশ্লেষণ আগবঢ়ায়। ইয়াৰ পূৰ্বে বিদ্যালয়খনৰ অধ্যক্ষ ৰুণু ভাগৱতীয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি ডঃ শশীকান্ত শইকীয়া আৰু বিদ্যালয়খনৰ ৰেক্টৰ এছ এন ভাগৱতীয়ে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ১২০ গৰাকীৰো অধিক নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শতাধিক অতিথি উপস্থিত থাকে।

## ১১ এপ্ৰিলত মুখ্যমন্ত্ৰী বোকাখাতলৈ

নিজা বাতৰি দিওঁতা

বোকাখাত, ৩ এপ্ৰিল ঃ কাজিৰঙা লোকসভা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ প্ৰচাৰ চলাবলৈ ১১ এপ্ৰিলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা বোকাখাতলৈ আহিব। এক সংবাদ মেলযোগে ৩১ মাৰ্চত মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এই কথা সদৰি কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা মাটিৰ মানুহ বুলি উল্লেখ কৰি অগপ-সভাপতি অতুল বৰাই কয় যে বোকাখাততেই সৰ্বাধিক ভোট পাব তাছাই।

নিজা বাতৰি দি
শিৱসাগৰ, ৩
মণ্ডল সংগীত চ
২২ আৰু ২৩
হয়। এই উপ
ভিত্তিত বৰগীত
প্ৰথম দিনা পুৱা
সংগীত চৰ্চা বে
মুকুল নাথে। ব
সাধক মহেন্দ্ৰ
উদ্বোধন কৰে
অধ্যক্ষা দিপালী
হিচাপে অংশগ্ৰহ
খাটনিয়াৰ বৰবা
লখিমপুৰ, দুলী
শিৱসাগৰ জিলা
অংশগ্ৰহণ কৰা ব
যোৰহাটৰ অনুষ্কা
শিৱসাগৰৰ কৃষ্টি

## মাজুলীৰ পীত
## মাধ্যমিক বিদ্যাল



গোগামুখত